# Official Spokesperson's response to media queries seeking comments on the statement issued on 19 June by the Chinese Spokesperson on the events in the Galwan valley area

June 20, 2020

---

# গালৱান উপত্যকা অঞ্চলৰ ঘটনাৰ বিষয়ে 19 জুন তাৰিখে চীন মুখপাত্ৰই কৰা ভাষ্যৰ বিষয়ে সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ ওপৰত কাৰ্যকৰি মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

জুন 20, 2020

**গালৱান উপত্যকা অঞ্চলৰ ঘটনাৰ বিষয়ে 19 জুন তাৰিখে চীন মুখপাত্ৰই কৰা ভাষ্যৰ বিষয়ে সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ প্ৰতিক্ৰিয়া হিচাপে কাৰ্যকৰি মুখপাত্ৰ, মিঃ অনুৰাগ শ্ৰীৱাস্তৱে কয়,**

“গালৱান উপত্যকা অঞ্চলৰ ক্ষেত্ৰত স্থিতি ঐতিহাসিক ধৰণে স্পষ্ট। লাইন অফ একচ্যুৱেল কনট্ৰলৰ (এল এ চি) ক্ষেত্ৰত চীন পক্ষই কৰা বৰ্ধিত আৰু অযুক্তিকৰ দাবি গ্ৰহণযোগ্য নহয়। সেয়া অতীতত চীনৰ নিজৰ স্থিতিৰ বিৰুদ্ধে।

ভাৰতীয় সেনাই গালৱান উপত্যকাকে ধৰি ভাৰত-চীন সীমান্ত অঞ্চলৰ সকলো ভাগৰ এল এ চি-ৰ স্থিতিক লৈ স্পষ্ট। তেওঁলোকে সকলো স্থানৰ দৰে ইয়াতো সতৰ্কতাৰে অৱলম্বন কৰে। ভাৰতীয় পক্ষই কেতিয়াও এল এ চি-ৰ সিপাৰে কোনো কাৰ্য কৰা নাই। আচলতে, তেওঁলোকে এই অঞ্চলৰ তত্তাৱধান বহু সময়ৰ পৰা কৰি আছে কোনো ঘটনা নোহোৱাকৈ। ভাৰতীয় পক্ষই নিৰ্মাণ কৰা যিকোনো আন্তঃগাথঁনি স্বাভাৱিকতে এল এ চি-ৰ নিজৰ পাৰত হয়।

মে’ 2020 পৰা, চীন পক্ষই এই অঞ্চলত ভাৰতৰ সাধাৰণ, পৰম্পৰাগত নিৰীক্ষণ পদ্ধতি হস্তক্ষেপ কৰি আহিছে। ইয়াৰ ফলত এক সংঘাতৰ সৃষ্টি হয় যি দ্বিপক্ষীয় চুক্তি আৰু নিয়মৰ অধীনত ভূমি সেনাপতিসকলে সমাধা কৰে। আমি এয়া গ্ৰহণ নকৰো যে ভাৰতে একপক্ষীয় ভাৱে পৰিস্থিতি সলনি কৰিছিল। বৰঞ্চ, আমি সেয়া ৰক্ষা কৰি আহিছোঁ।

ইয়াৰ পিছৰ, মে’ৰ মাজভাগত, চীন পক্ষই ভাৰত-চীন সীমান্ত অঞ্চলৰ পশ্চিম ভাগৰ আন স্থানৰ এল এ চি উলংঘন কৰিবলৈ চেষ্টা কৰে। এই প্ৰচেষ্টাৰ উপযুক্ত প্ৰতিক্ৰিয়া আমি দিওঁ। তাৰ পিছৰ পৰা, দুয়ো পক্ষই আলোচনাত লিপ্ত হৈছে স্থাপিত কূটনৈতিক আৰু সেনা মাধ্যমেৰে এল এ চি-ত চীনৰ কাৰ্যৰ পৰা সৃষ্টি হোৱা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ।

জ্যেষ্ঠ সেনাপতিসকলে 6 জুন 2020 তাৰিখে লগ কৰে আৰু এল এ চি-ত নিয়ন্ত্ৰঅণ আৰু নিষ্ক্ৰিয়তাৰ এক পদ্ধতিত মান্তি হয় য’ত পৰস্পৰ কাৰ্য থাকিব। দুয়ো পক্ষই এল এ চি সন্মান কৰিবলৈ আৰু

অৱলম্বন কৰিবলৈ মান্তি হয় আৰু স্থিৰতা সলনি কৰা কোনো কাৰ্য নকৰিবলৈ মান্তি হয়। পিছে, গালৱান উপত্যকাৰ এল এ চি–ৰ ক্ষেত্ৰত চীন পক্ষই এই বুজাবুজি উলংঘন কৰে আৰু এল এ চি–ৰ এইপাৰে গাথঁনি নিৰ্মাণ কৰিবলৈ চেষ্টা কৰে। যেতিয়া এই প্ৰেচেষ্টা বিফল কৰা হয়, চীন সেনাই 15 জুন 2020 তাৰিখে হিংসাত্মক কাৰ্য কৰে যাৰ ফলত বহুতো নিহত হয়।

বিদেশ বিষয়ক মন্ত্ৰী (ই এ এম) আৰু চীনৰ বিদেশ মন্ত্ৰী, মহামান্য মিঃ ৱেং য়িৰ মাজত 17 জুন 2020 তাৰিখে এক বাৰ্তালাপ হয় য'ত বিদেশ বিষয়ক মন্ত্ৰীয়ে কঠোৰ ভাষাত 15 জুন 2020 তাৰিখে ঘটা আৰু তাৰ কাৰণৰ প্ৰতিবাদ কৰে। তেওঁ চীন পক্ষই কৰা অভোযোগ আৰু জ্যেষ্ঠ সেনাপতিসকলে লোৱা বুজাবুজিৰ ভুল প্ৰতিনিধিত্ব দৃঢ়ভাৱে নাকচ কৰে। তেওঁ এয়াও উল্লেখ কৰে যে এয়া চীনৰ দায়িত্ব নিজৰ কাৰ্যৰ বিশ্লেষণ কৰি সংশোধনমূলক খোজ লোৱা।

দুয়ো মন্ত্ৰীয়ে মান্তি হয় যে সামগ্ৰিক পৰিস্থিতি এক দায়িত্বশীল ধৰণে পৰিচালন কৰা হ'ব, আৰু দুয়ো পক্ষই 6 জুনৰ নিষ্ক্ৰিয়তাৰ বুজাবুজি আন্তৰিকতাৰে অৱলম্বন কৰিব। দুয়ো পক্ষ নিয়মীয়াকৈ যোগাযোগত আছে আৰু সেনা আৰু কূটনৈতিক পদ্ধতিৰ আগতীয়া বৈঠকৰ কথা আলোচনা হৈ আছে।

আমি আশা কৰিছোঁ যে চীন পক্ষই আন্তৰিকভাৱে বিদেশ মন্ত্ৰীসকলে কৰা বুজাবুজি অৱলম্বন কৰিব সীমান্ত অঞ্চলত শান্তি আৰু সুৰক্ষা ৰক্ষাৰ বাবে, যি অতি প্ৰয়িজনীয় আমাৰ দ্বিপক্ষীয় সম্পৰ্কৰ সামগ্ৰিক উন্নতিৰ বাবে।"

**নতুন দিল্লী**
**জুন 20, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.